# 10th Triennial Conference of Bharatiya Itihas Sankalan Samiti

Two days national level 10th Triennial conference on Bharatia Itihas was hosted by the college which was organized in association with Lakhimpur and Biswanath district Itihas Sankalan Samiti from 20-02-2021 to 21-02-2021. The programme was attended by participants from various places across the country. The programme was successfully concluded on 21-02-2022.









## শংকৰদেৱ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় আলোচনা-সত্ৰ সম্পন্ন

নিজা বাতৰি দিওঁতা

**বান্দৰদেৱা, ২০ ফেব্ৰুৱাৰী** ঃ ভাৰতীয় ইতিহাস গৱেষণা পৰিষদৰ পৃষ্ঠপোষকতাত কালি লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমাৰ শংকৰদেৱ মহাবিদ্যালয়ত অনুষ্ঠিত হয় ৰাষ্ট্ৰীয় আলোচনা সত্ৰ। উত্তৰ-পূব ভাৰতৰ 'মৌখিক আৰু লোক পৰম্পৰা ইতিহাসৰ ধাৰা আৰু সম্ভাৱনা' শীৰ্ষক আলোচনা-সত্ৰত অৰ্দ্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে গৱেষণা-পত্ৰৰে অংশগ্ৰহণ কৰে। দুদিনীয়া আলোচনা-সত্ৰৰ কালিৰ প্ৰথম দিনটোত মহাবিদ্যালয়খনে জিলাখনৰ বিভিন্ন মহাবিদ্যালয়ৰ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলক অংশগ্ৰহণৰ সুবিধা কৰি দিয়ে। দুপৰীয়া ১০-৩০ বজাৰপৰা আৰম্ভ হোৱা অনুষ্ঠানত স্বাগত সম্ভাষণ জনায় শংকৰদেৱ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সোণাৰাম কলিতাই। সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰা বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ডঃ ৰাতুল দত্তই লোক পৰম্পৰা আৰু ইতিহাস নিৰ্মাণ বিষয়ত আলোকপাত কৰে। আন এজন সমল ব্যক্তি বিহপুৰীয়া মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ সহযোগী অধ্যাপক ডঃ হৰিনাৰায়ণ শৰ্মাই মৌখিক পৰম্পৰা আশ্ৰিত ইতিহাস সম্বন্ধে বিদ্যায়তনিক আলোচনা আগবঢ়ায়।